জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩১২/২০২২**

# বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া তথা শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰাপক বশিষ্ঠ দেৱশৰ্মাৰ স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ গৈ সম্প্ৰতি তাত চিকিৎসাধীন হৈ থকা বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া তথা শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰাপক বশিষ্ঠ দেৱশৰ্মাৰ স্বাস্থ্যৰ বুজ লয়।

ইয়াৰ পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়াগৰাকীৰ স্বাস্থ্য সম্প্ৰতি জটিল হৈ আছে যদিও গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকে যথাসম্ভৱ সকলো উন্নত চিকিৎসা সেৱা আগবঢ়াই আছে। এই সময়ছোৱাত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সৈতে নিয়মিত যোগাযোগ ৰক্ষা কৰি বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাৰ স্বাস্থ্যৰ বুজ লৈ আছে বুলিও সদৰি কৰি মুখ্যমন্ত্ৰীয়ে সত্ৰীয়া সংস্কৃতিৰ সাধকগৰাকীৰ আশু আৰোগ্য কামনা কৰে।

বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাৰ স্বাস্থ্যৰ বুজ লোৱাৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে শিক্ষামন্ত্ৰী ডাঃ ৰাণোজ পেগু আৰু সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পৱিত্ৰ মাৰ্ঘেৰিটাও উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২০/১০/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in